**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-09-2024
**Time :** 12-05 Hrs.

***Assamese Midday Bulletin***

**::::::::::::::::::::::::::::::::::::::::::**

আজি বিশ্ব গড় দিৱস। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই উপলক্ষে আজিৰ দিনটোত গঁড় সুৰক্ষাৰ ক্ষেত্ৰত ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীমোদীয়ে বিগত বছৰসমূহত গঁড় সংৰক্ষণৰ প্ৰচেষ্টাৰ সৈতে জড়িত কৰ্মচাৰীসকলৰ প্ৰশংসা কৰে। তেওঁ কয় যে, ভাৰত হৈছে বৃহৎ সংখ্যক এটা খড়্গযুক্ত গঁড়ৰ বিচৰণভূমি আৰু এয়া দেশৰ বাবে অতি গৌৰৱৰ বিষয়। প্ৰধানমন্ত্ৰীয়ে অসমৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণৰ কথা স্মৰণ কৰি সকলোকে কাজিৰঙা ভ্ৰমণ কৰিবলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰীয়ে যোৱা ৮ আৰু ৯ মাৰ্চত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণ কৰিছিল।

অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বিশ্ব গঁড় দিৱসৰ দিনটোত ৰাজ্য চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰে। তেওঁ অসমৰ জৈৱ বৈচিত্ৰ্যৰ অমূল্য ৰত্নস্বৰূপ গঁড়ৰ সুৰক্ষা, আৱাসিক এলেকাৰ সম্প্ৰসাৰণ আৰু সামগ্ৰিকভাৱে সংৰক্ষণ সুনিশ্চিত কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপসমূহৰ কথা উল্লেখ কৰে।

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত বৰ্ণাঢ্য কাৰ্যসূচীৰে বিশ্ব গঁড় দিৱস পালন কৰা হৈছে। ৰাষ্ট্ৰীয় উদ্যানখনত দাঁতিকাষৰীয়া ৫ খন জিলা সামৰি বোকাখাটৰ ধনশিৰিমুখ, বিশ্বনাথ সংমগুল আৰু লাওখোৱা  বুঢ়াচাপৰিৰ পৰা প্ৰতিকী গঁড় লৈ শোভাযাত্ৰা উলিওৱা হৈছে। আনহাতে, বিয়লি ৩ বজাৰ পৰা কহৰাৰ শতবৰ্ষ উদযাপন কেন্দ্ৰত কেন্দ্ৰীয়ভাৱে বিশ্ব গঁড় দিৱসৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, চন্দ্ৰমোহন পাটোৱাৰী, অতুল বৰা, কেশৱ মহন্ত আৰু সাংসদ কামাখ্যা প্ৰসাদ তাছা উপস্থিত থাকিব।

মানাহ ৰাষ্ট্ৰীয় উদ্যানতো বিশ্ব গঁড় দিৱসৰ লগত সংগতি ৰাখি  বাঁহবাৰী বনাঞ্চলত **কিপ দ্যা ফাইভ এলাইভ** মূল মন্ত্ৰৰে বিশেষ কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। সেই অনুসৰি পুৱাৰ ভাগত সজাগতামূলক চাইকেল ৰেলী উলিওৱা হয়। এই কাৰ্যসূচীৰ জৰিয়তে ৰাষ্ট্ৰীয় উদ্যানখনৰ ক্ষেত্ৰ সঞ্চালকগৰাকীয়ে জনসাধাৰণক গঁড় সুৰক্ষাৰ ক্ষেত্ৰত সজাগ হ'বলৈ আহ্বান জনায়।

ooo

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি এদিনীয়া ভ্ৰমণসূচীৰে  ধুবুৰীত উপস্থিত হৈছে। ৰাজ্যপালগৰাকীয়ে প্ৰথমে জিলাখনৰ গোলকগঞ্জৰ ভাৰত-বাংলাদেশ সীমান্তত থকা ৰামৰায়কুটি সত্ৰ পৰিদৰ্শন কৰে। ইয়াৰ পাছত তেওঁ সত্ৰশালৰ ভাৰত-বাংলাদেশ আন্তৰাষ্ট্ৰীয় সীমান্ত অঞ্চল পৰিদৰ্শন কৰি সীমান্ত সুৰক্ষা বাহিনীৰ শীৰ্ষ বিষয়াৰ সৈতে মত বিনিময় কৰাৰ লগতে সীমান্তৰ বিভিন্ন সমস্যা তথা নিৰাপত্তা সন্দৰ্ভত আলোচনাত মিলিত হয়। দিনৰ ভাগত তেওঁ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন আঁচনিসমূহৰ সন্দৰ্ভত এখন পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰিব।

ooo

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদে ১ ডিচেম্বৰৰ পৰিৱৰ্তে ১৫ ডিচেম্বৰত চি-টেট অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰিছে। প্ৰশাসনিক কাৰণত ইতিমধ্যে ঘোষণা কৰা চি-টেটৰ দিন সলনি কৰা হৈছে। এই সন্দৰ্ভত পৰিষদে জাৰি কৰা নিৰ্দেশনা অনুসৰি অহা ১৫ ডিচেম্বৰ দেওবাৰে দেশজুৰি চি-টেট অনুষ্ঠিত কৰা হ'ব। পূৰ্বে কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদে ১ ডিচেম্বৰত দেশৰ মুঠ ১৩৬ খন চহৰত চি-টেট অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰিছিল। ১৭ ছেপ্তেম্বৰৰ পৰা আৰম্ভ হোৱা চি-টেটৰ অনলাইন প্ৰক্ৰিয়াৰ আবেদন অহা ১৬ অক্টোবৰত অন্ত পৰিব।

০০০

যোৰহাট জিলাৰ বাহনা অঞ্চলৰ অগ্ৰণি অনুষ্ঠান আলোকৰ উদ্যোগত উত্তৰ পূৰ যোৰহাট উপ ক্ৰীড়াসন্থাৰ সহযোগত বাহনা খেলপথাৰত আজিৰে পৰা জয়ন্ত মাধৱ বৰা আৰু সঞ্জীৱ শইকীয়া সোঁৱৰণি আমন্ত্ৰণমূলক ফুটবল প্ৰতিযোগিতা আয়োজন কৰা হৈছে। মুঠ ১২ টা দলৰ মাজত হবলগীয়া প্ৰতিযোগিতাখনৰ উদ্বোধনী খেলত কাকজান উপ ক্ৰীড়া সন্থা ৰমাকান্ত এফ চিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। যোৰহাটৰ বিধায়ক হীতেন্দ্ৰ নাথ গোস্বামীয়ে প্ৰতিযোগিতাখন উদ্বোধন কৰিব।

০০০

বাংলাদেশৰ বিৰুদ্ধে অনুষ্ঠিত টেষ্ট শৃংখলাৰ প্ৰথমখন খেলত ভাৰত ২৮০ ৰাণত জয়ী হৈছে। চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত খেলখনৰ আজি চতুৰ্থ দিনা বাংলাদেশে নিজৰ দ্বিতীয় ইনিংছত ২৩৪ ৰাণতে আটাইকেইটা উইকেট হেৰুৱায়। ভাৰতৰ হৈ ৰবীচন্দ্ৰন অশ্বিনে দ্বিতীয় ইনিংছত ৬ টা উইকেট দখল কৰে। ইয়াৰ জৰিয়তে টেষ্টৰ এটা ইনিংছত সৰ্বাধিকবাৰ ৫ টা উইকেট দখল কৰা অভিলেখৰ ক্ষেত্ৰত কিংবদন্তি স্পীনাৰ শ্বেইন ৱাৰ্ণৰ সৈতে অশ্বিনে সমতা স্থাপন কৰে। ইয়াৰ পূৰ্বে বাংলাদেশে টছত জিকি বেটিং কৰিবলৈ আমন্ত্ৰণ জনোৱাৰ পাছত ভাৰতে ৰবীচন্দ্ৰন অশ্বিনৰ ১১৩ আৰু ৰবীন্দ্ৰ জাদেজাৰ ৮৬ ৰাণৰ সহায়ত ৩৩৬ ৰাণত প্ৰথম ইনিংছ সামৰিছিল। প্ৰত্যুত্তৰত মাত্ৰ ১৪৯ ৰাণত বাংলাদেশৰ প্ৰথম ইনিংছৰ অন্ত পৰাত দ্বিতীয় ইনিংছত ভাৰতে ৪ উইকেটত ২৮৭ ৰাণ কৰি ইনিংছ ঘোষণা কৰিছিল। খেলখনত অল ৰাউণ্ড প্ৰদৰ্শনৰ বাবে ৰবীচন্দ্ৰন অশ্বিনলৈ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা আগবঢ়োৱা হয়। শৃংখলাৰ পৰৱৰ্তী খেলখন কানপুৰত অনুষ্ঠিত হ'ব।

০০০

তিনিচুকীয়া জিলাৰ বিশিষ্ট ক্ৰীড়া সংগঠক, ৰেলৰে কৰ্মচাৰী লীলা ফুকনৰ আজি ডিব্ৰুগড়ৰ এখন চিকিৎসালয়ত মৃত্যু হয়। প্ৰয়াত ফুকন তিনিচুকীয়াৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে ওতপ্ৰোতভাৱে জড়িত আছিল।

০০০

সমাপ্ত